Peer Reviewed Referred and
UGC Listed Journal
(Journal No. 40776)

ISSN 2277-5730

AN INTERNATIONAL MULTIDISCIPLINARY
QUARTERLY RESEARCH JOURNAL

# AJANTA

Valume-VIII, Issue-II
Part - III
April - June - 2019



Ajanta
Prakashan

Impact Factor / Indexing
2018 - 5.5 www.sjifactor.com

Scanned by CamScanner

ISSN 2277 - 5730
AN INTERNATIONAL MULTIDISCIPLINARY
QUARTERLY RESEARCH JOURNAL

# AJANTA

Volume - VIII Issue - II Part - III Assamese & Bengali April - June - 2019

Peer Reviewed Refereed
and UGC Listed Journal
Journal No. 40776

ज्ञान-विज्ञान विमुक्तये

IMPACT FACTOR / INDEXING
2018 - 5.5
www.sjifactor.com

❖ EDITOR ❖
Asst. Prof. Vinay Shankarrao Hatole
M.Sc (Maths), M.B.A. (Mktg.), M.B.A. (H.R.),
M.Drama (Acting), M.Drama (Prod. & Dir.), M.Ed.

❖ PUBLISHED BY ❖

Ajanta Prakashan
Aurangabad. (M.S.)

Scanned by CamScanner

# EDITORIAL BOARD


**Professor Kaiser Haq**
Dept. of English, University of Dhaka,
Dhaka 1000, Bangladesh

**Roderick McCulloch**
University of the Sunshine Coast,
Locked Bag 4, Maroochydore DC,
Queensland, 4558 Australia.

**Dr. Ashaf Fetoh Eata**
College of Art's and Science
Salmau Bin Adbul Aziz University, KAS

**Dr. Nicholas Loannides**
Senior Lecturer & Cisco Networking Academy instructor,
Faculty of Computing, North Campus,
London Metropolitan University, 166-220
Holloway Road, London, N7 8DB, UK.

**Muhammad Mezbah-ul-Islam**
Ph.D. (NEHU, India) Assot. Profe. Dept. of
Information Science and Library Management
University of Dhaka, Dhaka - 1000, Bangladesh.

**Dr. Meenu Maheswari**
Assit. Prof. & Former Head Dept.
of Commerce & Management
University of Kota, Kota.

**Dr. S. Sampath**
Prof. of Statistics University of Madras
Chennari 600005.

**Dr. D. H. Malini Srinivasa Rao**
M.B.A., ph.D., FDP (IIMA)
Assit. Prof. Dept. of Management
Pondicherry University, Karaikal - 609605.

**Dr. S. K. Omanwar**
Professor and Head, Physics,
Sat Gadge Baba Amravati
University, Amravati.

**Dr. Rana Pratap Singh**
Professor & Dean, School for Environmental
Science, Dr. Babasaheb Bhimrao Ambedkar
University Raebareily Road, Lucknow.

**Dr. Shekhar Gungurwar**
Hindi Dept. Vasantrao Naik
Mahavidyalaya Vasarni, Nanded.

**Dr. Nurjahan Rahmatullah**
Assit. Professor, Hindi Dept.
Cotton University, Guwahati

**Dr. S. Karunanidhi**
Professor & Head,
Dept. of Psychology,
University of Madras.

**Memon Sohel Md Yusuf**
Dept. of Commerce, Nirzwa College
of Technology, Nizwa Oman.

**Dr. Walmik Sarwade**
HOD Dept. of Commerce
Dr. Babasaheb Ambedkar Marathwada
University, Aurangabad.

**Prof. Joyanta Borbora**
Head Dept of Sociology,
University, Dibrugarh.

**Prof. P. T. Srinivasan**
Professor and Head,
Dept. of Management Studies,
University of Madras, Chennai.

**Dr. Manoj Dixit**
Professor and Head,
Department of Public Administration Director,
Institute of Tourism Studies,
Licknow University, Licknow.


Scanned by CamScanner

# অসমৰ বৌদ্ধ ধৰ্মাৱলম্বী টাইসকলৰ লোক-উৎসৱ- মাই-কী-চুম্-ফাই আৰু পয়-চাং-কেন্ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

ড° নৱমী গগৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোলাঘাট বাণিজ্য মহাবিদ্যালয

**০.০ অৱতৰণিকা ঃ**

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ভূমি। অনাদিকালৰে পৰা অসমলৈ নানা জনগোষ্ঠীয় লোকৰ আগমন ঘটিছিল। ইয়াৰ ভিতৰত মঙ্গোলীয় প্ৰজাতিৰ অন্তৰ্গত "টাই" জনগোষ্ঠীটো লেখতল'বলগীয়া। "টাই" জনগোষ্ঠী বুলিলে আহোম, খামতি, ফাকে, খাময়াং, আইতন আৰু টুৰুংসকলক বুজা যায়। এই জনগোষ্ঠীকেইটাৰ ভিতৰত আহোমসকলক বাদ দি বাকী আটায়ে বৌদ্ধধৰ্মাৱলম্বী। অসমৰ লক্ষীমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ কোনো কোনো অঞ্চলত "টাই" অধ্যুষিত লোকসকলৰ বসতি পোৱা যায়। এওঁলোকে বছৰৰ বিভিন্ন সময়ত বিভিন্ন 'পয়' অৰ্থাৎ উৎসৱ পাতে। টাইসকলৰ কেইটিমান পৰম্পৰাগত 'পয়' (উৎসৱ) হৈছে-

| | | |
|---|---|---|
| ১। | মাই-কী-চুম্-ফাই | (মাঘী পূৰ্ণিমা উৎসৱ), |
| ২। | পয়-নৌন্-চি | (ফাগুনী পূৰ্ণিমা উৎসৱ), |
| ৩। | পয়-চাং-কেন্ | (সংক্ৰান্তি বা বহাগী উৎসৱ), |
| ৪। | পয়-বুদ্ধ-জয়ন্তী | (বুদ্ধ-জয়ন্তী উৎসৱ), |
| ৫। | পয়-পূতৱা | (প্ৰৱাৰনা উৎসৱ), |
| ৬। | পয়-কথিন্ | (কঠিন ছীৱৰ উৎসৱ), |
| ৭। | পয়-লু-ফ্ৰা, লু-ক্যাং | (বুদ্ধ মূৰ্তি বৌদ্ধ বিহাৰ দানোৎসৱ), |
| ৮। | পয়-খাম্-চাং, খাম্-কে | (শ্ৰমন, ভিক্ষু দীক্ষা উৎসৱ), |
| ৯। | পয়-লেং | (ৰথোৎসৱ) ইত্যাদি। |

**০.১ বিষয়ৰ উদ্দেশ্য ঃ**

সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰাত উৎসৱৰ ভূমিকা নুই কৰিব নোৱাৰি। টাইসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত উৎসৱসমূহ সুকীয়া বৈশিষ্ট্যসম্পন্ন। এই আলোচনাৰ জৰিয়তে মাই-কী-চুম্-ফাই (মাঘী পূৰ্ণিমা উৎসৱ), আৰু পয়-চাং-কেন্ (সংক্ৰান্তি বা বহাগী উৎসৱ), উৎসৱৰ বিভিন্ন দিশসমূহ পোহৰলৈ আহিব।

এই আলোচনাত টাইসকলৰ মাঘী পূৰ্ণিমা উৎসৱ "মাই-কী-চুম্-ফাই" আৰু সংক্ৰান্তি বা বহাগী উৎসৱ "পয়-চাং-কেন্" ৰ এক সম্যক ধাৰণা দিবলৈ যত্ন কৰা হৈছে।

**০.২ তথ্যৰ উৎস ঃ**

এই অধ্যয়নৰ সমল সংগ্ৰহৰ ক্ষেত্ৰত মুখ্য উৎসসমূহৰ বাবে "টাই" অধ্যুষিত দুই এক অঞ্চললৈ গৈ ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে আৰু গৌণ উৎসসমূহ আগৰ পণ্ডিত, আলোচকসকলৰ প্ৰাসঙ্গিক গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা হৈছে।

**১.০ বিষয়ৰ আলোচনা ঃ**

**টাই জনগোষ্ঠীয় লোকসকলৰ দুটা লেখতল'বলগীয়া উৎসৱ হ'ল—**

১। মাই-কী-চুম্-ফাই
২। পয়-চাং-কেন্



Nabai Sri.

Scanned by CamScanner

১.১ "মাই-কৗ-চুম্-ফাই" মাঘী পূৰ্ণিমাৰ দিনা পালন কৰা হয়। টাই শব্দ "মাই-কৗ-চুম্-ফাই"-ৰ অসমীয়া ভাবাৰ্থ হ'ল—

মাই 'কাঠ'
কৗ 'দ'ম বান্ধি থোৱা, তৰপে তৰপে সজোৱা'
চুম্ 'দাহ কৰা'
ফাই 'জুই'

টাই অধ্যুষিত প্ৰত্যেক অঞ্চলতে অতি উলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়। মন কৰিবলগীয়া যে— ঋতু পৰিৱৰ্তন সম্পৰ্কীয় উৎসৱ, নৱবৰ্ষীয় অথবা কৃষিভিত্তিক উৎসৱ দৰে মাই-কৗ-চুম্-পাই পালন কৰা নহয়। এই উৎসৱৰ লগত আধ্যাত্মিক আৰু লৌকিক বিশ্বাস জড়িত হৈ আছে। সেই অনুসৰি- "জীৱনৰ অন্তিম কালত, মাঘী পূৰ্ণিমাৰ দিনা বৈশালী নগৰৰ চপলা চৈত্যত অৱস্থান কৰোঁতে আনন্দ আৰু সহস্ৰাধিক ভিক্ষুগণক উদ্দেশ্যি বুদ্ধই নিজৰ দেহাৱসানৰ দিন তিনি মাহৰ পিছত হ'ব বুলি অৱগত কৰিছিল। সঁচাকৈয়ে নিৰ্দিষ্ট দিনটোত অৰ্থাৎ বহাগী পূৰ্ণিমাৰ দিনা এই পৰিঘটনা ঘটিছিল। তথাগতৰ ঘোষনাক বৌদ্ধধৰ্মাৱলম্বী লোকে "আয়ু-সংস্কাৰ বিসৰ্জন" বুলি অভিহিত কৰি বুদ্ধৰ বাবে জুই দাহ দিয়া প্ৰতিকীৰূপী এই "মাই-কৗ" উচৰ্গা কৰি "চুম্-ফাই" (দাহ) কৰে। এই উৎসৱেই 'মাই-কৗ-চুম্-ফাই'।"[১]

"মাই-কৗ-চুম্-ফাই" উৎসৱত বাঁহ-কাঠেৰে বিশেষ পদ্ধতিৰে সুন্দৰকৈ নিমাৰ্ণ কৰা "মাই-কৗ" বুদ্ধৰ নামত উচৰ্গা কৰা হয়। এই উপলক্ষে মাঘী পূৰ্ণিমাৰ কিছুদিনৰ আগৰ পৰাই গাওঁৰ ডেকা-গাভৰুসকলে প্ৰস্তুতি চলায়। তেওঁলোকে দলবান্ধি হাবিৰ পৰা "মাই-কৗ" সাজিবলৈ কাঠ-বাঁহ আনি বিহাৰৰ চৌহদত শুকুৱাই থয় আৰু কাঠবোৰ খৰিৰ জোখত কাটি "মাই-কৗ" সাজিবলৈ আৰম্ভ কৰে। টাইসকলৰ "মাই-কৗ"- ৰ আকৃতি বিশেষ বৈশিষ্ট্যসম্পন্ন। কলডিল আকৃতিৰ "মাই-কৗ"-ৰ তলৰচোৱা সৰু, ক্ৰমান্বয়ে মাজৰচোৱা শকত আৰু শেষৰ ডোখৰ ক্ৰমান্বয়ে সৰু। "মাই-কৗ"- ৰ একেবাৰে ওপৰৰ অংশ খেৰেৰে সজোৱা হয়। তদুপৰি ইয়াৰ বাবে সাজি উলিওৱা "চাকু-তন্-খন্" (ধ্বজা) - বোৰো অতি সুন্দৰ। বয়োজেষ্ঠ্যলোকসকলে ৰং বিৰঙৰ কাগজেৰে বেলেগ বেলেগ আৰ্হিত "চাকু-তন্-খন্" সাজি "মাই-কৗ" - ত গুজি দিয়ে আৰু জীয়াৰী, বোৱাৰীসকলে কপাঁহ, ফুল-পাতেৰে গঁথা আমডালি "মাই-কৗ" ৰ ওপৰৰ পৰা তললৈকে আঁৰি দিয়া হয়। এইদৰে সুন্দৰকৈ "মাই-কৗ" সজাৰ অন্তত পূৰ্ণিমাৰ আগদিনা গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোবোৰ আহি মাহকৗস্থলিত সমবেত হয়। তেওঁলোকে সকলোৱে ভিক্ষুক দান দিবৰ বাবে ধুপ, মম আদি লৈ আহে। টাইসমাজত ভিক্ষুজনৰ স্থিতি অতি আদৰণীয়। পৰম পূজনীয় ব্যক্তি ভিক্ষুৱে "মাই-কৗ"ক উদ্দেশ্যি প্ৰাৰ্থনা জনায় আৰু ধৰ্মীয় ৰীতি-নীতিৰে ভগৱান বুদ্ধৰ নামত "মাই-কৗ" উচৰ্গা কৰে। ভিক্ষুজনে সকলোৰে মঙ্গলৰ অৰ্থে মঙ্গল সুত্ৰ গায় আৰু শীল প্ৰদান কৰি উক্ত পৰ্বৰ সামৰণি মাৰে। সকলোৱে ঘৰাঘৰি গৈ ভাত-পানী খাই পুনৰ মাহকৗ স্থলিত উপস্থিত হৈ ডেকা-গাভৰুসকলে প্ৰদৰ্শন কৰা নৃত্য-গীত উপভোগ কৰে। নৃত্যৰ ভিতৰত চাউ আলং ,কা নাং ৱেন আদিয়ে দৰ্শকক যথেষ্ট আমোদ প্ৰদান কৰে। এই নৃত্য-গীত সম্পৰ্কত টাইসকলৰ মাজত প্ৰচলিত "কিথিং" নামৰ ধৰ্মীয় পুথিত উল্লিখিত কথাষাৰি প্ৰনিধানযোগ্য। সেই অনুসৰি "বুদ্ধই নিজ মাহীমাক গৌতমীক কোৱা মতে, অতীতত এজন মায়াবী, মহাপ্ৰতাপী, নিৰ্দয়ীও অত্যাচাৰী অসুৰ ৰাজক দমন কৰিবলৈ কেৱাৰী নামৰ ৰজা এজনে নিজ ৰাজকুমাৰক পঠিয়াই সুকলমে সেই কাৰ্য সম্পাদন কৰিছিল। স্বাভাৱিকতে পুনৰ শান্তি বিৰাজ কৰাত সেই অসুৰ ৰাজ্যতে ৰাজকুমাৰ সহিতে দেৱগণও পৰীসকলে নৃত্য-গীতেৰে আনন্দ উল্লাহেৰে বিজয় দিৱস পালন কৰে। সেই দিনাও আছিল মাঘী-পূৰ্ণিমা। আয়ু সংস্কাৰ বিসৰ্জনৰ ঘোষণা আৰু বিজয় উল্লাহৰ দিন (আৰ্শীবাদপুষ্ট মানৱৰ অহঙ্কাৰী দানৱৰ /কুসংস্কাৰৰ বিৰুদ্ধে জয়)ৰ তাৎপৰ্য বহন কৰা উৎসৱেই হ'ল "মাই-কৗ-চুম্-ফাই" উৎসৱ।" এইদৰে আটায়ে আনন্দ উলাহেৰে উজাগৰে থাকি "মাহ-কৗ" ৰখে আৰু দোকমোকালিতে গা-পা ধুই "মাই-কৗ" দাহ কৰে।

টাইসকলৰ "মাই-কৗ" দাহ কৰা ৰীতিটোও সুকীয়া। তেওঁলোকে মেজিৰ জুই মেজিৰ ওপৰৰ অংশতহে প্ৰথমে দিয়ে। সাধাৰণতে কোনো এজন বয়সস্থ লোকে এডাল বাঁহৰ সহায়েৰে মেজিৰ ওপৰ অংশত সংলগ্ন কৰা খেৰত প্ৰথমে জুই দিয়ে। আৰু জুই জ্বলাৰ লগে লগেই সমবেত সকলোৱে অগ্নিদেৱতাক প্ৰাৰ্থনা জনায়। ইয়াৰ পিছত ডেকাইঁতে বাহেঁৰে সজা সাজি তাত কলপাত চিৰিলি চিৰিলি কৰি লগাই কলপটুৱাত চকু, মুখ, দাঁত কাটি অগ্নি দেৱতাৰ প্ৰতীক হৈ নৃত্য কৰি আনন্দ কৰে। পুৱাবেলাত জীয়াৰীসকলে প্ৰস্তুত কৰা পিঠা-পনা যেনে- পেংপুক, পেংনোীং, পেংচেন্ ভিক্ষুলৈ দান দিয়ে



Nabam· Sm

Scanned by CamScanner

আৰু ইঘৰ সিঘৰলৈও আদান-প্ৰদান কৰা হয়। তদুপৰি জীয়ৰী, বোৱাৰীসকলে পুৱতি নিশাতে উঠি শাক-পাচলি, আলু, কচু, মাটি মাহ, শুকান মাছ, মগুহ, তিল আদিৰে "খাও-ৰা-কুপ্" প্ৰস্তুত কৰে। এইদৰে বিভিন্ন সামগ্ৰী একেলগ কৰি বন্ধা "খাও-ৰা-কুপ্" এই উৎসৱৰ মূল আহাৰ।

এইদৰেই টাইসকলে পৰম্পৰাগতভাৱে তেওঁলোকৰ মাজত প্ৰচলিত "মাই-কী-চুম্-ফাই"উৎসৱ পালন কৰি আহিছে। এনে উৎসৱে টাইসকলৰ মাজত থকা সহায়, সহযোগিতা, ভাতৃত্বৰ ভাব তেওঁলোকৰ দায়িত্ব প্ৰতি থকা সজাগতা আদি সম্পৰ্কে আমাক অৱগত কৰায়।

**১.২ পয়-চাং-কেন্ ঃ**

নতুন বছৰক আদৰনি জনোৱাৰ বাবে প্ৰত্যেক লোকেই আগ্ৰহী। এই উদ্দেশ্যে বেলেগ বেলেগ উৎসৱো অনুষ্ঠিত কৰা হয়। এনে এক উৎসৱেই হৈছে "পয়-চাং-কেন্"। টাইসকলে নতুন বছৰক আদৰনি জনোৱাৰ বাবে উদ্‌যাপন কৰা উৎসৱক "পয়-চাং-কেন্" বুলি কয়। ইয়াৰ অৰ্থ হ'ল-পয় 'উৎসৱ'; চাংকেন 'সংক্ৰান্তি'। অৰ্থাৎ- সংক্ৰান্তিৰ উৎসৱ। এই উৎসৱৰ মূল উদ্দেশ্য দুটা—

১। বিহাৰৰ মূৰ্ত্তিসমূহক বাহিৰলৈ আনি স্নান কৰোৱা,
২। বিহাৰত সংৰক্ষণ কৰি ৰখা পুঁথি পাঁজিবোৰ চাফা কৰা।

এই উৎসৱৰ বাবে বাৰ্মিজ আৰু টাই ভাষাত লিখা চাক্ৰিত বা চাগ্ৰেইত্(পঞ্জিকা)- ৰ সহায় লোৱা হয়। চাগ্ৰেইত্ৰ সময় অনুসৰিহে "পয়-চাং-কেন্" পালন কৰে। ইয়াৰ বাবে আগতীয়াকৈ বিহাৰৰ চৌহদত অস্থায়ী বিহাৰ সাজি মূৰ্তি স্থাপন কৰিবৰ বাবে বেদী নিমাৰ্ণ কৰি সুন্দৰকৈ সজোৱা হয়। বেদীৰ মাজত এটি কুংপান্ (চকৰি) ৰখা হয় যাতে বেদীত ঢলা পানী কুংপানত পাৰি চিটিকি গৈ বুদ্ধমূৰ্ত্তিবোৰৰ গাত পৰে।

এই উৎসৱ চাৰি দিন ধৰি পালন কৰা হয়। ইয়াৰে প্ৰথম দিনটোক টাইসকলে "পয়-হেপ্ বুলি কয়। "পয়-হেপ্" ৰ দিনা ঘৰ দুৱাৰ পৰিস্কাৰ কৰাৰ উপৰিও বিহাৰৰ প্ৰাঙ্গনো পৰিস্কাৰ কৰা হয় আৰু বিভিন্ন ধৰণৰ পিঠা-পনা আৰু জা-জলপান প্ৰস্তুত কৰা হয়। স্থায়ী বিহাৰৰ পৰা অস্থায়ী বিহাৰলৈ মূৰ্ত্তিসমূহ উলিয়াবলৈ চাগ্ৰেইত্ৰ সময় অনুসৰণ কৰা হয় আৰু ইয়াৰ বাবে ৰাইজক বিহাৰত একগোট কৰিবলৈ বিহাৰৰ ঘন্টা বজাই চাগ্ৰেইত্ ৰ সময় ৰাইজক অৱগত কৰোৱা হয়। নিৰ্দিষ্ট সময়ত সকলো ৰাইজে পানীৰে পূৰ্ণ পাত্ৰ, ফুল, মমবাতি, আখৈ লৈ বিহাৰত সমবেত হয় আৰু ভিক্ষুলৈ তিনিখিন শৰাই আগবঢ়ায়। ভিক্ষুগৰাকীয়ে শৰাইকেইখন উচৰ্গা কৰি বেদীত প্ৰতিষ্ঠা কৰাৰ পিছত বিহাৰৰ মূল মূৰ্ত্তিক ভিক্ষুয়ে কোলাত লৈ অস্থায়ী বিহাৰত স্থাপন কৰে আৰু বিহাৰৰ বাকী মূৰ্ত্তিসমূহক গাঁৱৰ বয়সস্থলোকে কোলাত আনি অস্থায়ী বিহাৰৰ বেদীত স্থাপন কৰে। প্ৰথমে ভিক্ষুগৰাকীয়ে বেদীত পানী ঢালি মূৰ্তিসমূহ স্নান কৰোৱায় আৰু "পয়-চাং-কেন্" উৎসৱৰ শুভাৰম্ভ কৰে। তদুপৰি বিহাৰত সংৰক্ষিত পুথিসমূহো চাফা কৰি বিহাৰৰ খিৰিকিৰ ওচৰত ৰাখে। পুথিসমূহ একেবাৰে স্থায়ী বিহাৰৰ বাহিৰলৈ উলিওৱা নহয়। খিৰিকিৰ কাষত ৰখা পুথিসমূহত এডাল দীঘল বেতৰ দ্বাৰা এটা মূৰ পুথিসমূহত আৰু আনটো মূৰ খিৰিকীৰ বাহিৰলৈ উলিয়াই দিয়া হয়। সমবেত ৰাইজে বেতত পানী ঢালি পুথিসমূহক প্ৰতীক স্নান কৰোৱা দৃশ্য সঁচাই অতি আকৰ্ষণীয়।

ভিক্ষু গৰাকীৰ পাছতহে গাঁৱৰ ৰাইজে বেদীত পানী ঢালে। এই কাৰ্য তিনিদিনলৈ কৰা হয়। এইদৰে পানী ঢালোতে মূৰ্তিসমূহৰ পৰা চিটিকি পৰা পানীবোৰ ৰাইজে পাত্ৰত ধৰি ৰাখে আৰু এই পানী অতি পবিত্ৰ আৰু ঔষধিযুক্ত বুলি তেওঁলোকে বিশ্বাস কৰে। উৎসৱৰ সামৰণিৰ দিনাখন প্ৰত্যেকেই এনে পানীৰ পাত্ৰ আনি ঘৰত যতনেৰে ৰাখে। চাগ্ৰেইত্ৰ সময় অনুসৰি তৃতীয় দিনা পুনৰ মূৰ্তিসমূহ স্থায়ী বিহাৰলৈ নিয়া হয়।

এই উৎসৱৰ চতুৰ্থ দিনা গাঁৱৰ বয়সস্থ তিৰোতাসকলে বিহাৰত একগোট হৈ ভিক্ষুগৰাকীক দান দিবৰ বাবে বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰে। সেই অনুসৰি ভিক্ষুগৰাকীক পিঠা পনা, আখৈ, বৰা চাউল আদি দান দিয়া হয় আৰু ইজনে সিজনৰ গালৈ পানী চটিয়াই ৰং ৰহইচ্ কৰা হয়। সকলো বয়সৰ লোকেই এজনে আনজনলৈ পানী চটিয়াই ৰং ধেমালি কৰে বাবে এই উৎসৱৰ আন এটি নাম হৈছে- 'পয়-চন্-নান' অৰ্থাৎ 'পানী ঢলা উৎসৱ'।

এই উৎসৱ হ'ল আনন্দৰ উৎসৱ। ইঘৰ সিঘৰলৈ ফুৰিবলৈ যোৱা, জেষ্ঠ্যজনক কনিষ্ঠজনে ভৰি, হাত ধুৱাই দিয়া ইত্যাদি ৰীতিও এই উৎসৱত পৰম্পৰাগতভাৱে চলি আহিছে।



Nabam Sri

Scanned by CamScanner

টাইসকলৰ উৎসৱ অনুষ্ঠানৰ লগত বিভিন্ন লোক কাহিনী জড়িত হৈ থকা দেখা যায়। "পয়-চাং-কেন্" উৎসৱৰ ক্ষেত্ৰতো এনে কাহিনী পোৱা যায়। সেই অনুসৰি— "এই পৃথিৱীখনৰ উৎপত্তিৰ পিছত ইয়াৰ উপৰিভাগ মৌচাকৰ দৰে ৰসাল সুগন্ধিযুক্ত আছিল। সুগন্ধিত আকৃষ্ট হৈ "মৌংচাং" (ব্ৰহ্মালোক)ৰ পৰা "খুন্-চাং" (ব্ৰহ্মা) সকল পৃথিৱীলৈ আহি উপভোগ কৰি পুনৰ "মৌংচাং" লৈ প্ৰত্যাবৰ্তন কৰিছিল। কিন্তু "মৌংচাং"- ৰ ৰীতি-নীতি ভঙ্গ কৰাত "লাকা" নামৰ ব্ৰহ্মাজন প্ৰত্যাবৰ্তন কৰিব নোৱাৰি "মৌংফী"ত বাস কৰিলে। এজন ব্ৰহ্মাই দেৱলোকত বাস কৰাৰ বাবে "খুন্-ফী"(দেৱতা) সকলৰ নানান আহুকালে দেখা দিলে। লাকা খুন্ চাঙৰ ব্ৰহ্মা শক্তি নাশিবলৈ দেৱতা সকলে বিধিনিৰ দেৱতা "চাউ-খুন্-কিউ" (শনিদেৱতা)ৰ ভনীয়েকৰ সৈতে বিয়া পাতি দিলে। সময়ৰ সোঁতত তেওঁলোকৰ লালাকা, মহলাকা, নন্দালাকা আৰু তাত্ থিলাকা নামেৰে চাৰিগৰাকী "নাংফী" (অপেশ্বৰী)ৰ জন্ম হয়। সুযোগ সুবিধা বুজি এদিন মৌংপীৰ অধিপতি "চাউফাচিকা"(দেৱৰাজ ইন্দ্ৰ) ই অন্যান্য দেৱতাসকলৰ লগত মিলি ষড়যন্ত্ৰ কৰি লাকা ব্ৰহ্মাক দেৱতা সাব্যস্ত কৰি শিৰচ্ছেদ দণ্ডৰে দণ্ডিত কৰিলে।

কিন্তু ইন্দ্ৰই সৰ্বশক্তি প্ৰয়োগ কৰিও লাকা ব্ৰহ্মাক শিৰচ্ছেদ কৰিব নোৱাৰাত "চাউ-খুন্-কিও" দেৱতাৰ সহায় ল'লে। কিন্তু লাকা ব্ৰহ্মাৰ পিতৃহত্যা ষড়যন্ত্ৰৰ বিষয়ে চাৰিগৰাকী জীয়েক অৱগত নাছিল। সেয়েহে মোমায়েকে তেওঁলোকৰ পৰাই পিতৃ হত্যাৰ গোপন কৌশল উদ্‌ঘাটন কৰি সৰু জীয়াৰীয়ে দিয়া পিতাকৰ মূৰৰ চুলি লৈ "চাউ-খুন্-কিউ" ইন্দ্ৰদেৱতাৰ ওচৰ পালেগৈ। গোপন কৌশল অনুসৰি ইন্দ্ৰদেৱতাই সেই চুলিখিনি তেওঁৰ "খান্-চাক্" ( বজ্ৰ)ত বান্ধি লৈ লাকা ব্ৰহ্মাক শিৰচ্ছেদ কৰিবলৈ সমৰ্থ হয়। এই অনুসৰি শিৰৰ দ্বাৰাই ত্ৰিলোক অৰ্থাৎ মৌংচাং (ব্ৰহ্মালোক), মৌংফী (দেৱলোক) আৰু মৌংকুন্ (মৰ্ত্যলোক) ৰ ধ্বংস অনিবাৰ্য বুলি গম পাই ব্ৰহ্মালোকৰ অধিপতি সহমপতি ব্ৰহ্মাই দেৱলোকত অৱস্থান কৰিলে। সেই সময়ত মৰ্ত্যলোকত বোধিসত্বই (বুদ্ধৰ পূৰ্বজন্ম) এলাউন নামেৰে হাতীৰ ৰূপত জন্ম লৈছিল। লাকা ব্ৰহ্মাক পুনৰাই জীৱন দান দিয়াৰ উদ্দেশ্যেৰে উক্ত হাতীৰ মূৰটো আনি দিবলৈ ইন্দ্ৰ দেৱতাক পৰামৰ্শ দিলে। তেতিয়া ইন্দ্ৰই "চাতুৰলোক্-পাল" (চাৰিদিশৰ দেৱতাক) প্ৰেৰণ কৰিলে। তেওঁলোকে গৈ বোধিসত্বক বিৱৰি কোৱাত তেওঁ স্ব-ইচ্ছাই মূৰটো দান কৰিলে। সহমপতি ব্ৰহ্মাই সেই হাতীৰ মূৰটো লৈ লাকা ব্ৰহ্মাক জীয়াই তুলিলে। তাৰ পিছত সহমপতি ব্ৰহ্মাই সেই চাৰিগৰাকী নাংফী কন্যাক পিতৃ হত্যাৰ কাৰণ অভিযোগত দোষী সাব্যস্ত কৰি দণ্ড বিহিলে। দণ্ড অনুসৰি পাপ মোচনাৰ্থে সেই চাৰিওগৰাকী কন্যাক নিজ পিতৃক কটা মূৰটো প্ৰতিদিনে এজনীক পাল পাতি হাত ধৰি ৰাখিবলৈ দিলে। বিশ্বাস অনুসৰি দেৱলোকৰ এটা দিনৰ সময়ৰ সমষ্টি মৰ্ত্যলোকৰ এটা বছৰৰ সমান। সেইদৰে দেৱলোকত এটা দিনৰ শেষত নাংখী কন্যাই পিতৃৰ কটা মূৰ আইন এজনীৰ হাতত তুলি দিয়াৰ লগে লগে মৰ্ত্যলোকত এটা নতুন বছৰৰ আৰম্ভণি হয়।

কিন্তু সহমপতি ব্ৰহ্মাই লাকা ব্ৰহ্মাক নতুন জীৱন দান কাৰ্যত "চাউ-খুন্-কিউ" দেৱতা সন্তুষ্ট ন'হ'ল। সেয়েহে লাকা ব্ৰহ্মাক হত্যাৰ উদ্দেশ্যেৰে তেওঁ দেৱলোকৰ পৰা ত্ৰিলোকলৈ বিভিন্ন ধৰণৰ দোষ যন্ত্ৰণা, বেমাৰ-আজাৰ, বিপদ-বিঘিনি আদি নিক্ষেপ কৰিব ধৰিলে আৰু সেই দৈৱ দুৰ্বিপাকবোৰ প্ৰভাৱ বিস্তাৰ কৰে। থেৰবাদী বৌদ্ধধৰ্মাৱলম্বী লোকসকলে সেই দৈৱ অশুভ শক্তিবোৰৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যেৰে ত্ৰিৰত্ন অৰ্থাৎ, বুদ্ধ ধৰ্ম আৰু সংঘৰ আৰ্শীবাদৰ প্ৰয়োজন হয় বুলি বিশ্বাস কৰে।

সেয়েহে থেৰবাদী বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে পঞ্জিকাৰ নিৰ্দিষ্টসময়ত মূল বিহাৰৰ পৰা বুদ্ধমূৰ্তিসমূহ তিনিদিনৰ বাবে বাহিৰলৈ শোভাযাত্ৰাৰে আনি "ক্যংফ্ৰা" (চাংকেন উৎসৱত বুদ্ধমূৰ্তি ৰখোৱা বিহাৰ)ত স্থাপন কৰি মূৰ্তিসমূহ পৰিস্কাৰ পানীৰে ধুই পূজা অৰ্চনা কৰা হয়। লগতে মঠ-মন্দিৰ, বোধি-বৃক্ষ, ধৰ্মীয় স্তুপ আৰু পুথিসমূহকো ধুই পূণ্য কৰ্ম কৰে।[২]

এই বিশ্বাস অনুসৰিয়ে বৰ্তমানেও এই উৎসৱত মূল বিহাৰৰ পৰা মূৰ্ত্তিসমূহ অস্থায়ী বিহাৰলৈ উলিয়াওঁতে ডেকাসকলে সেই ঠাইৰ ভূত-প্ৰেত খেদিবলৈ গুলি ফুটায়।

২.০ এইদৰেই বৌদ্ধধৰ্মাৱলম্বী টাইসকলে পৰম্পৰাগতভাৱে তেওঁলোকৰ উৎসৱ পালন কৰি সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিছে। সুকীয়া বৈশিষ্ট্যযুক্ত এই উৎসৱসমূহৰ যথেষ্ট গুৰুত্ব আছে। অৱশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে টাইসকলৰ ৰীতি-নীতি তথা উৎসৱ অনুষ্ঠানতো পৰিবৰ্তন ছাঁ পৰিছে যদিও এইক্ষেত্ৰত তেওঁলোক সজাগ হোৱা প্ৰয়োজন। কিয়নো, উৎসৱকেইটিৰ স্বকীয়তাইহে ইয়াৰ সৌন্দৰ্য্য উজ্জ্বল কৰিছে। এনে গুৰুত্বপূৰ্ণ তথা আদৰৰ উৎসৱসমূহ টাইসকলৰ কৃষ্টিৰ ভঁৰালৰ অন্যতম পৰিচায়ক।



Scanned by CamScanner

সমলদাতা ঃ

১। নগেন শ্যাম, আহোমনী, কার্বি আংলং।
২। শান্তা শ্যাম, আহোমনী কার্বি আংলং।
৩। বিদ্যাধৰ থাউমুঙ, দুবৰনি, গোলাঘাট।
৪। বিদ্যানী ফালুং, চিলনীজান, কার্বি আংলং।
৫। জীচেং থাউমুঙ, চিলনীজান, কার্বি আংলং।
৬। অনন্ত টুৰুং, পহুকটীয়া শ্যাম গাওঁ, তিতাবৰ।

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। গগৈ, পুষ্প ঃ টাই সংস্কৃতি গগৈ, বগেন (সম্পা.) পূৰ্বাঞ্চল তাই সাহিত্য সভা, ধেমাজি, প্ৰথম প্ৰকাশ, ১৯৯৪।
২। গগৈ, ফুকন, বন্তিৰাণী ঃ অসমৰ বৌদ্ধধৰ্ম্মাৱলম্বী টাইসকলৰ জনজীৱনত এভুমুকি পূৰ্বাঞ্চল টাই সাহিত্য সভা, ২০০২, গড়গাওঁ, শিৱসাগৰ।
৩। মৰান বিজু ঃ টাই ফাকে ভাষা আৰু সংস্কৃতি গোলাপী প্ৰকাশন, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৯।

পাদটীকা ঃ

১। লোককাহিনীৰ সমল দাতা, নগেন শ্যাম, আহোমনী গাওঁ, কার্বি আংলং জিলা।
২। লোককাহিনীৰ সমলদাতা ঃ বিদ্যানী ফালুং, চিলনীজান, কাবি আংলং।



Scanned by CamScanner